# NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2022
**Time :** 1715 hrs

## *Assamese Evening Bulletin*

০০০০০০

অসমীয়া জাতিৰ জনক, সমাজ ব্যৱস্থাৰ গুৰি ধৰোতা, সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আজি ৰাজ্যজুৰি পালন কৰা হৈছে। বিভিন্ন স্থানত এদিনীয়াৰ পৰা চাৰিদিনীয়াকৈ মহোৎসৱৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। একশৰণ নাম ধৰ্মৰ প্ৰতিষ্ঠাতা, কবি, কথাশিল্পী, নাট্যকাৰ, চিত্ৰশিল্পী, সংগীতশিল্পী, ভাস্কৰ, সৰ্বোপৰি সমাজ সংস্কাৰক গুৰুজনাই ১৪৪৯ খ্ৰীষ্টাব্দৰ আজিৰ দিনটোত জন্মগ্ৰহণ কৰি নিজৰ অসামান্য প্ৰতিভা তথা সামৰ্থ্যৰ বলত জাতিটোৰ গুৰি ধৰাৰ কৰাৰ মহান দায়িত্ব পালন কৰিছিল।

আজি ৰাজ্যজুৰি ভিন ভিন কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদযাপন কৰা হৈছে। গুৰুজনাৰ জন্মস্থান বৰদোৱাৰ বটদ্ৰৱা সত্ৰৰ পৰা আৰম্ভ কৰি সত্ৰনগৰী বৰপেটা, ঐতিহ্যমণ্ডিত নদীদ্বীপ মাজুলী আৰু কোচবিহাৰৰ ৰামৰাইকুঠি সত্ৰকে ধৰি বিভিন্ন ঠাইৰ সত্ৰ, নামঘৰ আদিৰ লগতে অন্যান্য স্থানতো কালিৰে পৰা তিনিৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱ উদযাপন কৰা হৈছে। এই উপলক্ষে ঠায়ে ঠায়ে উষা কীৰ্তন, ভাগৱত শোভাযাত্ৰা, ভাওনা প্ৰদৰ্শন, নাম-কীৰ্তন আদিৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কালপানী বজাৰ নামঘৰ প্ৰাংগণত আজিৰে পৰা তিনিদিনীয়াকৈ মহাপুৰুষ জনাৰ জন্মোৎসৱ উদযাপন কৰা হৈছে। এই উপলক্ষে ভাগৱত শোভাযাত্ৰা, আয়তীৰ নাম, ঢুলীয়া কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। কোকৰাঝাৰ জিলাৰ ৰাসমেলা খেলপথাৰত দুদিনীয়াকৈ আয়োজিত মহোৎসৱ উপলক্ষে আজি ভকত-বৈষ্ণৱসকলে নাম কীৰ্তন কৰে। মৰিগাঁও জিলাৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। এই উপলক্ষে মৰিগাঁও জিলা শাখাৰ উদ্যোগত ভাগৱত, শোভাযাত্ৰা উলিওৱাৰ লগতে নাম-প্ৰসংগ অনুষ্ঠিত হয়। বৰপেটা সত্ৰত আজি এই উপলক্ষে ভাগৱত ভ্ৰমণ কৰা হয়। কালিৰে পৰা সত্ৰ উদযাপন কৰা এই উৎসৱৰ উপৰি ৮, ৯ আৰু ১০ অক্টোবৰত বৰপেটা জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ আৱিৰ্ভাৱ মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত চুন পোৰা ভিঠি থান সত্ৰত জন্মোৎসৱ পালন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা টুইটবাৰ্তাত কৃষ্টি-সংস্কৃতি, সাহিত্য আৰু জ্ঞান চৰ্চাৰে অসম জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠা কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মোৎসৱত প্ৰণিপাত জনাইছে।

০০০০০০

আজি বিজয়া দশমী। ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক আজি যথা বিহিত ধৰ্মীয় ৰীতি-নীতি অনুসৰি বিজয়া দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত বিসৰ্জন প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই উপলক্ষে দেশৰ আন কোনো কোনো স্থানৰ লগতে অসমতো আজি বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিধি অনুসৰি দশমী পূজা আজি দিনৰ চাৰে ৯ বজাত আৰম্ভ হয়। দিনৰ ১ বজাৰ পাছত প্ৰতিমা বিসৰ্জনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানৰ পূজা মণ্ডপৰ পৰা প্ৰতিমাসমূহ পৰম্পৰাগত নীতি-নীতিৰে বিসৰ্জনৰ বাবে লৈ যোৱা হৈছে।

আজি প্ৰতিমা বিসৰ্জনৰ বাবে যান-বাহন আৰক্ষীয়ে নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি দিনৰ ১ বজাৰ পৰা বিসৰ্জন সম্পূৰ্ণ নোহোৱালৈকে যান-বাহন চলাচলৰ ক্ষেত্ৰত এই নিৰ্দেশনা বাহাল থাকিব। চানমাৰিৰ ফালৰ পৰা জালুকবাৰীলৈ প্ৰতিমা কঢ়িওৱা বাহনৰ বাহিৰে কোনো বাহনকে এম চি ৰোডত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এই যান-বাহনসমূহ জি এন বি পথেৰে যাব পাৰিব। প্ৰতিমা কঢ়িওৱা বাহনৰ বাহিৰে আন বাহনে জিলা পুথিভঁৰালৰ পৰা জি এন বি ৰোডেৰে কে এল বি ৰোডলৈ সোঁহাতে ঘূৰিব নোৱাৰিব। জালুকবাৰী আৰু ভৰলুমুখৰ ফালৰ পৰা চানামাৰি-দিছপুৰলৈ যোৱা বাহনসমূহ এম জি ৰোডৰ এপল' পইণ্টৰ পৰা টি আৰ পি ৰোডেৰে আগবাঢ়ি এইছ বি ৰোড বা এ টি ৰোডেৰে যাব লাগিব। উজানবজাৰ, খাৰঘুলি আৰু নুনমাটিৰ ফালৰ পৰা অহা বাহনসমূহ জি এন বি বা তৈয়বুল্লা ৰোডেৰে যাব লাগিব।

আনহাতে, আজি প্ৰতিমা বিসৰ্জনৰ সমান্তৰালভাৱে ঠায়ে ঠায়ে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় সাব্যস্ত কৰাৰ প্ৰতীক হিচাপে শ্ৰীশ্ৰীৰামচন্দ্ৰৰ বিজয় উৎসৱ, ৰাৱন দাহ পৰ্বৰো আয়োজন কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগৰ বাবে অংশকালীন বাতৰি সম্পাদক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক বাছনিৰ বাবে অহা ১৬ অক্টোবৰত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত পৰীক্ষা অনুষ্ঠিত হ'ব। অংশকালীন বাতৰি পৰিৱেশক তথা অনুবাদকৰ বাবে দিনৰ ১০ বজাৰ পৰা ১ বজালৈ আৰু বাতৰি সম্পাদকৰ বাবে বিয়লি ২ বজাৰ পৰা ৫ বজালৈ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক পৰীক্ষা আৰম্ভ হোৱাৰ আধা ঘণ্টা আগে পোৱাকৈ পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'বলৈ কোৱা হৈছে। পৰীক্ষাৰ্থীসকলে এই সন্দৰ্ভত বিতং তথ্যৰ বাবে newsonair.gov.in আৰু prasharbharati.gov.in বেৱচাইট চাব পাৰে।

০০০০০০

**সমাপ্ত**